**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-08-2025 **Time :** 0755Hrs.

উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দ্ৰকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে যোৱা ২৯ জুলাইৰ পৰা উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে চলোৱা উচ্ছেদ অভিযানত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰা হৈছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে। ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ উচ্ছেদিত অঞ্চলসমূহত নাগালেণ্ড চৰকাৰৰ সৈতে যৌথভাৱে বনানীকৰণৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে। আজি চৰকাৰে এই বনানীকৰণ কাৰ্যসূচী আৰম্ভ কৰিব।

ইপিনে, ডিব্ৰুগড় জিলা প্ৰশাসনে কালি পল্টন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী জাৰি কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব।

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণ কাৰ্যসূচীৰে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য শিলচৰলৈ যাব। তেওঁ বৰাক উপত্যকাৰ গুৰুত্বপূৰ্ণ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে দুখন প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব। বিয়লি চাৰে ৩ বজাত কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত ৰাজ্যপালগৰাকীয়ে অংশ ল'ব। কাইলৈ পুৱা চাৰে ৯ বজাত ৰাজ্যপালগৰাকীয়ে ৰামকৃষ্ণ মিছন পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ শিশু চিকিৎসালয়ো পৰিদৰ্শন কৰিব। ভ্ৰমণ কাৰ্যসূচী সামৰি ৰাজ্যপালগৰাকীয়ে কাইলৈ বিয়লিলৈ গুৱাহাটীলৈ উভতি আহিব বুলি আমাৰ শিলচৰৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

সমাগত অক্টোবৰ মাহত ৰাজ্যৰ ১০ খন জিলাত আৰু নৱেম্বৰ মাহৰপৰা ৰাজ্যজুৰি খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীসকলক বজাৰ মূল্যতকৈ কম মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী যোগান ধৰা হ'ব।

অসম কেবিনেটত গ্ৰহণ কৰা এই সিদ্ধান্ত মৰ্মে হিতাধিকাৰীসকলে প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ১ কিঃগ্ৰাঃ মচুৰ দাইল, ১ কিঃগ্ৰাঃ চেনী আৰু নিমখ লাভ কৰিব। কালি এই সন্দৰ্ভত ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ সুলভ মূল্যৰ দোকানী আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখতাৰা আহমেদ, ডিব্ৰুগড় জিলা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ সঞ্চালক অনন্যা চৌধুৰী প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ দুলুং মুখ ৰেঞ্জত ১ ছেপ্তেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ বাবে ৰেঞ্জটো সক্ৰিয় কৰা হৈছে। এই সময়ছোৱাত ভাৰতীয় সেনাবাহিনীয়ে বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ অনুশীলন কৰিব। লখিমপুৰ জিলা প্ৰশাসনে এটা নিৰ্দেশনা যোগে এই সময়ছোৱাত দুলুং মুখ ৰেঞ্জ এলেকাত সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে।

০০০০০০০

চাহ শ্ৰমিকৰ সমাগত দুৰ্গা পূজাৰ বোনাচ সন্দৰ্ভত ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত কালি এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই সভাত বোনাচ সম্পৰ্কীয় ৰাজ্য চৰকাৰে জাৰি কৰা এছ অ' পি সন্দৰ্ভত চাহ বাগিচা কৰ্তৃপক্ষৰ লগতে চাহ বাগিচাৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিক অৱগত কৰোৱা হয়। জিলা আয়ুক্তগৰাকীয়ে চাহ বাগিচা সমূহত পূজাৰ বোনাচ বিতৰণ কাৰ্যসূচী শান্তিপূৰ্ণভাবে অনুষ্ঠিত কৰাৰ বাবে সকলোৰে পৰা সহায়-সহযোগিতাৰ আহ্বান জনায়। এই সভাত আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, ডুলীয়াজান সমজিলা আয়ুক্ত অংকুৰ দাস, খোৱাং সমজিলা আয়ুক্ত জয়ন্ত চাৰন, নাহৰকটীয়া সমজিলা আয়ুক্ত বিৰাজ বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা, টিংখাং সমজিলাৰ সহকাৰী আয়ুক্ত নয়ন মণি দত্ত প্ৰমুখ্যে শ্ৰম বিভাগ আৰু আৰক্ষী বিষয়ববীয়া তথা অসম চাহ মজদুৰ সংঘ, ভাৰতীয় চাহ পৰিষদ, নৰ্থ ইষ্টাৰ্ণ টি এছ'চিয়েছন, আসাম ব্ৰাঞ্চ ইণ্ডিয়ান টি এছ'ছিয়েচনৰ বিষয়ববীয়া আৰু প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০০

অসম আৰু মিজোৰামৰ সীমামূৰীয়া বিবদমান অঞ্চলসমূহত শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনাৰ প্ৰতি লক্ষ্য ৰাখি দুয়োখন ৰাজ্যই সীমা অঞ্চলত স্থিতাৱস্থা বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাই কালি আইজলত অনুষ্ঠিত মিজোৰাম পুলিচ ছাৰ্ভিচ এছ'চিয়েচনৰ এখন সমাৰোহত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দুয়োখন ৰাজ্যৰ সীমা অঞ্চলত শেহতীয়াকৈ সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি সন্দৰ্ভত তেওঁলোকে ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিছে। এই আলোচনামৰ্মে অসম আৰু মিজোৰামৰ সীমা অঞ্চলৰ বিবদমান এলেকাত দুয়োখন ৰাজ্যই স্থিতাৱস্থা বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে সীমা অঞ্চলত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি সন্দৰ্ভত মিজোৰামৰ মামিট জিলাৰ উপায়ুক্ত, আৰক্ষীৰ মুৰববীৰ সৈতে হাইলাকান্দি জিলাৰ আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক যোৱা সোমবাৰে এখন বৈঠকত মিলিত হৈছিল।

০০০০০০০

যোৰহাটৰ ৰ'য়েল ৰোডত কালি নিশা সংঘটিত অগ্নিকাণ্ড তিনিটা বাসগৃহ ভস্মীভূত হয়। অৱশ্যে এই অগ্নিকাণ্ডৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

**সমাপ্ত**